# পুৰুষসকলক গুৰুত্বপূৰ্ণ উপদেশ

খোতবা জুমা

হজৰত মির্জা মছৰুৰ আহমদ খলিফাতুল মছীহ পঞ্চম(আইঃ)

১৯ মে চন ২০১৭ স্থান মছজিদ বায়তুল ফুতুহ

মৰ্ডন ইউ.কে.

# পুৰুষ সকলক গুৰুত্বপূৰ্ণ উপদেশ

মূল
হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ আল-খামিছ (আইঃ)

# পুৰুষ সকলক গুৰুত্বপূৰ্ণ উপদেশ


| | |
|---|---|
| নাম কিতাপ | পুৰুষ সকলক গুৰুত্বপূৰ্ণ উপদেশ |
| প্ৰথম প্ৰকাশ | ২০২০, ৫০০ কপি |
| অনুবাদক | মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক) |
| প্ৰকাশক | নজাৰত উলিয়া কাদিয়ান |
| মুদ্ৰণে | ফজলে ওমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান জিলা গুৰদাছপুৰ,পিন ১৪৩৫১৬ পঞ্জাব |

| | |
|---|---|
| **Name Book** | **Purush Sakalok Gurutttapurna Upodesh** |
| **Original Book** | **Mardo ko Aham Zarri Nasaih** |
| **First Published** | **2020, 500 copies** |
| **Translated by** | **Mozibar Rahman Muballig silsila (Incharge Assamese Desk)** |
| **Published by** | **Nazarat Ulia Qadian** |
| **Printed at** | **Fazle Umar Printing Press Qadian, Dist. Gurdaspur, Pin 143516 Punjab** |

# প্ৰকাশকৰ কথা

ছৈয়দিনা হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ খোতবা জুমাৰ অৰ্ন্তভুক্ত "মৰদো কো এহম জাৰৱি নাছায়ে" কিতাপখনৰ উৰ্দুৰ পৰা অসমীয়ালৈ অনুবাদ মাননীয় মজিবৰ ৰহমান ইনচাৰ্জ অসম ডেস্কে কৰিছে; কিতাপখন **Review** কৰিছে **Review** কমিটিৰ সভাপতি মাননীয় আমান আলী চাহাব মুৰব্বী ছিলছিলা,মাননীয় শ্বাহজাহান আলী চাহাব মুৱাল্লিম ছিলছিলা। এই পুস্তকখনৰ অনুবাদক আৰু **Review** আৰু শুধৰণী কৰাত সহায় সহযোগীতা আগবঢ়োৱা সকলক আল্লাহ তায়লা উত্তম পুৰস্কাৰে পুৰস্কৃত কৰক। আমিন-

**নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান**

# পুৰুষ সকলক গুৰুত্বপূৰ্ণ উপদেশ

**পুৰুষসকলক বিশেষ গুৰুত্বপূৰ্ণ উপদেশ**

ছৈয়েদিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ খোতবা জুমা, তাৰিখ মে চন ২০১৭ ইং

ইছলামৰ যি শিক্ষা হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হৈছে,সেয়া প্ৰত্যেক ক্ষেত্ৰতেই আমাৰ বাবে লাভদায়ক, যেতিয়া আমি প্ৰত্যেকেই এই লাভদায়ক শিক্ষাৰ ওপৰত কৰ্ম কৰোঁতা হওঁ, তেতিয়া এখন সুন্দৰ সমাজ প্ৰতিষ্ঠিত হ'ব পাৰিব।

পুৰুষ ঘৰৰ দায়িত্বৱান হিচাপে জিম্মাদাৰ হয়। পুৰুষ এজন স্বামী হিচাপেও দায়িত্বৱান হয়, পুৰুষ হিচাপে নিজৰ মা-দেউতাৰো জিম্মাদাৰ, আকৌ পুৰুষ হিচাপে ল'ৰা-ছোৱালীৰো জিম্মাদাৰ হয়। যদি প্ৰত্যেক পুৰুষসকলে নিজৰ দাযিত্বৰ কথা চিন্তা-ভাৱনা কৰি সেয়া পালন কৰাৰ চেষ্টা কৰে তেতিয়া সমাজত শান্তি প্ৰতিষ্ঠিত হোৱাৰ লগে লগে, প্ৰেম-ভালপোৱা আৰু ভ্ৰাতৃত্ব বন্ধনৰ এক পন্থা হৈ পৰিব। এই কথা ল'ৰা-ছোৱালীৰ প্ৰশিক্ষণ হৈ শান্তি আৰু মানৱ অধিকাৰ সৃষ্টি হৈ বংশধৰৰ বৃক্ষ বিস্তাৰ লাভ কৰাৰ উপায় হৈ পৰিব।

**কোৰাণ মজিদ, হাদীছ নবী কৰীম (ছাঃ) আৰু হজৰত মছীহ মাউওদ (আঃ)ৰ নিৰ্দেশাৱলী আৰু আদৰ্শৰ আলোকত পুৰুষ সকলক বিশেষ গুৰুত্বপূৰ্ণ উপদেশ ঃ-**

ছৈয়দিনা হজৰত আমিৰুল মোমিনিন হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৯ মে ২০১৭ চনত ১৯ হিজৰত ১৩৯৬ হিজৰী শ্বামছীত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবা ( ইউ.কে)

# পুৰুষ সকলক গুৰুত্বপূৰ্ণ উপদেশ

اَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيكَ لَهٗ وَاَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَ رَسُوْلُهٗ اَمَّا بَعْدُ فَاَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ-بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ-

اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ-الرَّحْمٰنِ الرَّحِيْمِ- مٰلِكِ يَوْمِ الدِّيْنِ- اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ- اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ- صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ-

ইছলামৰ শিক্ষা যিটো শিক্ষা হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হৈছে প্ৰত্যেক ক্ষেত্ৰতে আমাৰ কাৰণে লাভদায়ক। যদি আমি ইয়াৰ ওপৰত কৰ্ম কৰোঁতা হওঁ,তেতিয়া এখন সুন্দৰ সমাজ গঢ়ি উঠিব পাৰিব। আজি বিশ্বৰ অমুছলিম সকলে, ইছলাম আৰু মুছলমান সকলৰ কৰ্মৰ ওপৰত যি আৰোপ লগায় সেই আৰোপ এৰি দি সেইসকল মানুহ ইছলামৰ সঠিক পদ্ধতি অৱলম্বন কৰি মুছলমান সকলৰ আদৰ্শৰ উদাহৰণ উত্থাপন কৰি ইছলামৰ বিশ্বাসকাৰী হৈ গ'লহেঁতেন। কোৰাণ শ্বৰীফত অনেক আদেশ আছে; কিন্তু এই সকলোবিলাক এঠাইত জমা কৰি আল্লাহ তায়লা এটা বাক্যত কৈছে,

لَقَدْ كَانَ لَكُمْ فِيْ رَسُوْلِ اللّٰهِ اُسْوَةٌ حَسَنَةٌ

(33:22)

অৰ্থাৎ তোমাৰ কাৰণে আল্লাহৰ ৰছুলত নেক বা পুণ্যবান আদৰ্শ আছে। হজৰত মহম্মদ (ছাঃ)ৰ গোটেই জীৱন ঘৰৰ পৰা লৈ বহল ভাৱে সমাজৰ লগত সম্পৰ্ক স্থাপন কৰি কোৰাণ কৰিমৰ আদেশৰ ওপৰত কৰ্ম

কৰোঁতা আছিল। কিন্তু দুৰ্ভাগ্য বশতঃ মুছলমান সকলৰ বেছিৰ ভাগে আল্লাহ তায়লাৰ এই আদৰ্শ পঢ়ে, আৰু এই কথা বৰ সন্মানৰ সৈতে দৃষ্টি দিয়ে; কিন্তু ইয়াৰ ওপৰত কাৰ্যকৰী কৰাৰ পৰা আঁতৰত থাকে। অৰ্থাৎ প্ৰকৃতাৰ্থে সফলতা সেই সময়ত হ'ব পাৰে যেতিয়া প্ৰত্যেক ক্ষেত্ৰতে এই আদৰ্শ (হজৰত মহম্মদ (ছাঃ)ৰ নিজৰ সন্মুখত ৰাখিব। মাজে সময়ে মানুহ ডাঙৰ ডাঙৰ সমস্যাৰ সময়ত বৰ ভাল আদৰ্শ দেখুৱাব ধৰে,কিন্তু কিছুমান সমস্যাৱলী সৰু হলে সেইটোৰ চিন্তা-ভাৱনা নকৰি ভাৱে যে এইটোৰ কোনো গুৰুত্বই নাই। অৰ্থাৎ এইটোৰ বিপৰীতে হজৰত মহম্মদ (ছাঃ)য়ে আমাক নিজৰ বয়ানৰ দ্বাৰা আৰু নিজৰ আদৰ্শৰ দ্বাৰা অৱগত কৰোৱাইছে। অৰ্থাৎ যদি আমি আমাৰ জীৱন শান্তিময় বনাব খোজো আৰু আল্লাহ তায়লাৰ ফজল অৰ্জন কৰিব খোজো, তেন্তে আমাক সেই আদৰ্শ নিজৰ জীৱনৰ অংশ বনোৱাৰ প্ৰয়োজন আছে যাক আমাৰ প্ৰিয় আকা হজৰত মহম্মদ (ছাঃ)য়ে সেই প্ৰত্যেক সমস্যাৱলী আমাৰ সন্মুখত ৰাখিছে আৰু এই যুগত হজৰত মহম্মদ (ছাঃ)ৰ সত্য গোলাম হজৰত মছীহ মাওউদ (আঃ)য়ে এই বিলাক বিস্তাৰিত ভাৱে আমাৰ সন্মুখত ৰাখিছে আৰু তাৰ ওপৰত কৰ্ম কৰোৱাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে।

এই সময়ত এই উদ্ধৃতিৰ সৈতে পুৰুষ সকলক বিভিন্ন ধৰণৰ দায়িত্ব সম্পৰ্কে কিছু ক'ম। পুৰুষ নিজৰ ঘৰৰ মালিক হিচাপে জিম্মাদাৰ, পুৰুষ এজন স্বামী হিচাপে জিম্মাদাৰ, পুৰুষ হিচাপে মা-দেউতাৰ জিম্মাদাৰ, আকৌ পুৰুষ হিচাপে ল'ৰা-ছোৱালীৰ জিম্মাদাৰ। প্ৰত্যেক পুৰুষ যদি এই দায়িত্বৰ কথা বুজি পায় আৰু দায়িত্ব পালন কৰা চেষ্টা কৰে, তেতিয়া পৰিৱেশত শান্তি, প্ৰেম স্নেহ আৰু ভ্ৰাতৃত্ব বন্ধন সৃষ্টি হোৱাৰ উপায় হ'ব ধৰিব। এই কথাবোৰ ল'ৰা-ছোৱালীৰ প্ৰশিক্ষণৰ উপায় হৈ শান্তি আৰু মানৱ অধিকাৰ সৃষ্টি হৈ বংশ বৃক্ষ বিস্তাৰিত হোৱাৰ পন্থা হ'ব। ঘৰৰ শান্তি এই বিলাক কথাৰ ওপৰত ভিত্তি কৰি সৃষ্টি হয়। আজিকালি কিছুমান ঘৰৰ সমস্যা

আৰু অভিযোগ মোৰ ওচৰত উত্থাপন হয় য'ত পুৰুষ নিজে ঘৰৰ মালিক হিচাপে পৰিগণিত হৈ কয়, মই ঘৰৰ মালিক। সকলো বস্তুৰ ওপৰত মোৰ অধিকাৰ আছে, তেওঁ নিজৰ স্ত্ৰীক সন্মান নকৰে, তাইক তাইৰ প্ৰাপ্ত অধিকাৰ নিদিয়ে, আৰু নিজৰ ল'ৰা -ছোৱালীৰ প্ৰশিক্ষণৰ অধিকাৰ পালন নকৰে, মাত্ৰ নামৰহে মালিক। অৰ্থাৎ এনে ধৰণৰ কিছুমান অভিযোগ ভাৰতবৰ্ষ আৰু পাকিস্তানৰ কিছুমান মহিলা সকলৰ পৰা অৰ্জিত হয় যে স্বামীয়ে নিজৰ স্ত্ৰীক মাৰি মাৰি ক্ষত-বিক্ষত বনাই নিলা কৰি দিছে, মুখমণ্ডল আঘাত প্ৰাপ্ত কৰি দিছে। অৰ্থাৎ কিছুমান এই ৰাষ্ট্ৰত অৱস্থান কৰিয়ো এনেকুৱা ধৰণৰ ব্যৱহাৰ কৰে, আৰু ল'ৰা-ছোৱালীৰ ওপৰত অত্যন্ত অত্যাচাৰ কৰি থাকে। হজৰত মছীহ মাওউদ (আঃ)ক মান্য কৰাৰ পিছতো যদি অজ্ঞ মানুহৰ নিচিনা থাকিব লাগে আৰু সেই মুছলমান সকলৰ নিচিনা থাকিব লাগে যিসকলে ধৰ্মৰ বিষয়ে কোনো ধৰণৰ জ্ঞান নাৰাখে,নিজৰ স্ত্ৰী আৰু ল'ৰা-ছোৱালীৰ সৈতে তেনেকুৱাই ব্যৱহাৰ কৰে যেনেকুৱা অজ্ঞ মানুহে কৰি থাকে,তেনেহলে নিজৰ অৱস্থা পৰিৱৰ্তনৰ প্ৰতিশ্ৰুতি লৈ হজৰত মছীহ মাওউদ (আঃ)ৰ হাতত বয়াত কৰি কোনো ধৰণৰ লাভ নাই।

অৰ্থাৎ পুৰুষসকলে যদি আল্লাহ তায়লাৰ অধিকাৰ পালন কৰি আছে তেতিয়া এইটো হ'বই নোৱাৰে যে সিঁহতৰ ঘৰতে অত্যাচাৰ হৈছে।

হজৰত মহম্মদ (ছাঃ) য়ে পোনপ্ৰথমে নিজৰ ঘৰৰ মালিক হিচাপে তৌহিদ প্ৰতিষ্ঠিত কৰাৰ গুৰুত্ব সম্পৰ্কে নিজৰ স্ত্ৰী আৰু ল'ৰা-ছোৱালী সকলক অৱগত কৰোৱাই তাৰ ওপৰত কৰ্ম বা আমল কৰোৱাইছে। অৰ্থাৎ এই কাম অতি মৰম স্নেহৰ মাধ্যমত কৰোৱাইছে, লাঠীৰ দ্বাৰা নহয়। হজৰত মহম্মদ (ছাঃ) ঘৰৰ মালিক আৰু বিশ্ববাসীৰ সংশোধন আৰু চৰিয়ত প্ৰতিষ্ঠা কৰাৰ কামত ব্যস্ত থকা সত্ত্বেও নিজৰ ঘৰৰ মানুহৰ অধিকাৰ পালন কৰিছে। অতি মৰম স্নেহ আৰু কোমলতাৰ সৈতে এই অধিকাৰ পালন কৰিছে।

ঘৰৰ দায়িত্ববান হোৱাৰ অধিকাৰ এনেদৰে পালন কৰিছে যে প্ৰথমে মনোযোগ আকৰ্ষণ কৰিছে যে তোমাৰ জিম্মাদাৰী তৌহিদ প্ৰতিষ্ঠা কৰা, আল্লাহ তায়লাৰ উপাসনা কৰা, অৰ্থাৎ হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)য়ে কয় যে হজৰত মহম্মদ (ছাঃ)য়ে ৰাতি নফল নমাজৰ বাবে উঠিছে আৰু কিছু সময় পূৰ্বে আমাক পানী ছটিয়াই সাৰ কৰাই কৈছে, নফল নমাজ পঢ়া, আল্লাহৰ উপাসনা কৰা আৰু আল্লাহ তায়লাৰ সেই অধিকাৰ পালন কৰা যি অধিকাৰ আল্লাহৰ আছে।(বুখাৰী কিতাবুল বিতৰ বাব আয়কাজুন নাবি (ছাঃ) হাদীছ ৯৯৭, ছুনন আবি দাউওদ কিতাবুছ ছালাত হাদীছ ১৩০৮)

হজৰত মহম্মদ (ছাঃ)য়ে নিজৰ ঘৰৰ মানুহৰ অধিকাৰ কেনেকৈ পালন কৰিছে ? সেইবিলাক কাম যিবিলাক কাম নিজৰ স্ত্ৰীসকলে কৰিছে,সেইবিলাক কামত আপুনি সহায় আগবঢ়াইছে। অৰ্থাৎ হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)য়ে কয় যে, যিমান সময় হজৰত মহম্মদ (ছাঃ) ঘৰত থাকিছে ঘৰৰ কামত সহায় আৰু খেদমত কৰাত ব্যস্ত থাকিছে। যেতিয়া আপোনাক নমাজৰ বাবে মাত দিয়া হৈছে তেতিয়া আপুনি মছজিদৰ ফালে ওলাই গৈছে।(ছহী বুখাৰী কিতাবুল আজান হাদীছ নং ৬৭৬)

অৰ্থাৎ এইটো সেই আদৰ্শ যাক অৱলম্বন কৰা প্ৰয়োজন। এনেকুৱা যাতে নহয় যে সদায় স্ত্ৰীসকলক অত্যাচাৰ কৰি থাকিব।

হজৰত আয়েশা ছিদ্দিকা (ৰাঃ) নিজৰ ঘৰৰ কামৰ কথা বিস্তাৰিত ভাৱে বৰ্ণনা কৰি কয় যে, হজৰত মহম্মদ (ছাঃ)য়ে নিজৰ কাপোৰ-কানি নিজেই চিলাই কৰিছে, জুতা নিজেই উলমাই থৈছে, ঘৰৰ ডোল ইত্যাদি নিজেই মেৰামতি কৰিছে। (উমদাতুল কাৰি, শ্বৰা ছহী বুখাৰী।....হাদীছ ৬৭৬ খন্ড ৫ পৃঃ ২৯৮ মতবুৰা দাৰুল আহিয়া )অৰ্থাৎ এইবিলাক আদৰ্শ সন্মুখত ৰাখি কিছুমান স্বামীয়ে নিজৰ জায়েজা (পৰ্যালোচনা) লোৱা উচিত আৰু এইটোৰ ওপৰত গুৰুত্ব দিয়া উচিত যে তেওঁৰ ঘৰত এনেকুৱা ধৰণৰ ব্যৱহাৰ হয়নে ?

# পুৰুষ সকলক গুৰুত্বপূৰ্ণ উপদেশ

হজৰত মহম্মদ (ছাঃ) য়ে নিজৰ চাহাবা সকলক স্বামীৰ ফৰজ সম্পৰ্কে আৰু সিহঁতৰ মৰ্যাদা সম্পৰ্কে এসময়ত কৈছে ,যিটো হজৰত আবু হুৰায়ৰা (ৰাঃ)ৰ পৰা বৰ্ণিত যে, মোমিন সকলৰ মাজৰ পৰিপূৰ্ণ ঈমান সেইজনৰ যাৰ চৰিত্ৰ ভাল, আৰু তোমাৰ মাজত চৰিত্ৰৰ ক্ষেত্ৰত উত্তম সেইজন যিজন নিজৰ মহিলা সকলৰ লগত উত্তম। (ছুনন তিৰমিজী বাব আবুৰ ৰিজাহ......হাদীছ ১১৬২)

হজৰত মছীহ মাওউদ (আঃ)য়ে স্বামীৰ ফৰজ আৰু স্ত্ৰীসকলৰ সৈতে ভাল ব্যৱহাৰ কৰা সম্পৰ্কে কৈছে, **ফাহশ্বাৰ** ...... বাহিৰে বাকী প্ৰত্যেক ধৰণৰ কষ্ট ভাল আদৰ্শ আৰু কেতিয়াবা বেয়া লগা কথা মহিলাসকলে সহ্য কৰা উচিত আৰু কৈছে, আমি অতি লজ্জিত হওঁ যে পুৰুষ হৈ মহিলাৰ লগত যুদ্ধ কৰে। আমাক আল্লাহ তায়লা পুৰুষ বনাইছে, অৰ্থাৎ মহিলা আমাৰ কাৰণে পৰিপূৰ্ণ নিয়ামত (অনুগ্ৰহ) হয়, সেই কাৰণে আমাৰ কৰ্তব্য মহিলা সকলৰ লগত যেন আমি নম্ৰতা আৰু কোমলতাৰ সৈতে ব্যৱহাৰ কৰো। এসময়ত এজন বন্ধুৰ বেয়া ধৰণৰ ব্যৱহাৰ আৰু অশ্লীল ভাষা প্ৰয়োগ কৰাৰ কথা বৰ্ণনা হয় যে তেওঁ নিজৰ ঘৈনীয়েকৰ লগত কঠোৰতাৰ সৈতে ব্যৱহাৰ কৰে হুজুৰ (আঃ) এই কথাত বৰ দুঃখিত হয় আৰু কয় আমাৰ জমাতৰ মানুহ, বন্ধু এনেকুৱা হ'ব নালাগে। আকৌ লিখাজনে লিখিছে যে তাৰ পিছত হুজুৰ (আঃ) বহুত সময় লৈ পৰিৱেশৰ মহিলা সকলৰ বিষয়ে আলোচনা (কথা বতৰা) কৰিব ধৰিলে,অৱশেষত কয় যে এসময়ত মই নিজৰ ঘৈনীয়েকৰ ওপৰত উচ্চস্বৰে কিবা কৈছিলো আৰু মই অনুভৱ কৰিছিলোঁ যে ইয়াত সম্ভৱত মনত কিবা দুঃখ পাইছে মই এই কথাৰ বাহিৰে কোনো ধৰণৰ টান কলিমা মুখৰ পৰা ওলোৱা নাছিলোঁ অথচ তেখেত (আঃ)য়ে কৈছে যে ইয়াৰ পিছতো বহু সময় লৈ ইছতিগফাৰ কৰি থাকো আৰু অত্যন্ত মনোযোগেৰে নফল নমাজ পঢ়িব ধৰিলোঁ, আৰু কিছু ছাদকাও দিলোঁ যে এইটো প্ৰশংসাৰ যোগ্য স্ত্ৰীৰ

ওপৰত আল্লাহৰ ফালৰ পৰা কোনো ভিতৰুৱা পাপৰ ফলাফল হয়।
( মাখুজা আলমলফুজাত জিলদ ২ পৃঃ ১,২ এডিশ্বন ১৯৮৫ মতবুৱা ইংলিস্থান)

অৰ্থাৎ এয়া আছিল তেখেত (আঃ)ৰ আদৰ্শ আৰু কোনো বন্ধু যদি কঠোৰতাৰ সৈতে নিজৰ স্ত্ৰীৰ সৈতে ব্যৱহাৰ কৰে তেতিয়া আপুনি বৰ অনুতাপৰ সৈতে দুঃখ প্ৰকাশ কৰিছে; আৰু এইটোও উপদেশ দিছে যে সেই ব্যক্তিসকল যিসকলে নিজৰ স্ত্ৰীৰ লগত সৰু সৰু কথাতে কাজিয়া-বিবাদ কৰি থাকে, হাত উঠাই থাকে সিহঁতে চিন্তা-ভাৱনা কৰা উচিত হাত উঠোৱা দূৰ্ৰ কথা কিছুমানে যেনেকুৱা মই কৈছো যে ক্ষত পৰ্য্যন্ত কৰি দিয়ে। সিহঁতৰ কাৰণে এইটো অনুতাপৰ বিষয়। হজৰত মহম্মদ (ছাঃ)ৰ হিদায়ত মতে সেই সকল মানুহৰ ঈমান পৰিপূৰ্ণ নহয়। সিহঁতৰ নিজৰ ঈমানৰ অনুতাপ হোৱা উচিত। হজৰত মহম্মদ (ছাঃ)ৰ ইৰশ্বাদ আছিল সেই কাৰণে হজৰত মছীহ মাওউদ (আঃ)য়ে অনুতাপ কৰি কৈছে যাৰ ঈমানৰ মৰ্যাদা উচ্চ পৰ্যায়ৰ নহয় তেওঁ কিছুমান ঠাইত উজটি খাবই। অৰ্থাৎ যেনেকুৱা মই কৈছো এইটো দেখাত যেন সৰু কথা, কিন্তু সৰু নহয়। সেই ৰাষ্ট্ৰত পুলিচ পৰ্যন্ত গোচৰ যায় আৰু জমাতৰ বদনাম হ'ব ধৰে। এনেকুৱা মানুহ পৃথিৱীত শাস্তিত ভুগি থাকে আৰু আল্লাহ তায়লাৰ ক্ৰোধত আহি যায়। কিছুমান পুৰুষে কয় যে মহিলাৰ ভিতৰত অমুক অমুক বেয়া আছে যাৰ কাৰণে আমি কঠোৰতা প্ৰয়োগ কৰিছোঁ, এই ক্ষেএত পুৰুষ সকলে নিজৰ জায়েজা (পৰ্যালোচনা) লোৱা উচিত যে ধৰ্মৰ বিষয়ে তেওঁ পৰিপূৰ্ণ আছেনে ? হজৰত মছীহ মাওউদ (আঃ)য়ে এনেকুৱা পুৰুষ সকলক উপদেশ দি কৈছে যে পুৰুষ যদি আল্লাহ তায়লাক ভয় নকৰে তেতিয়া মহিলা সকলে কেনেকৈ পুণ্যবান হ'ব। প্ৰথম কথা হ'ল পুৰুষ যেন পুণ্যবান হয়, তেতিয়াহে ঘৈনীয়েক পুণ্যবান হ'ব পাৰিব। কৈছে যে হয়,যদি পুৰুষ নিজে পুণ্যবান হয় তেতিয়া মহিলাও পুণ্যবান হ'ব পাৰিব। কৈছে যে কথাৰ দ্বাৰা মহিলা সকলক

উপদেশ দিব নালাগে; অৰ্থাৎ নিজৰ কৰ্মৰ দ্বাৰা যদি উপদেশ দিয়া হয় তেতিয়া তাৰ প্ৰভাৱ নিশ্চয় পৰে। মাত্ৰ কথাৰ দ্বাৰা উপদেশ নিদিব, কেৱল চিঞৰ-বাখৰ কৰি নাথাকিব,অৰ্থাৎ নিজৰ কৰ্মৰ দ্বাৰা এইটো প্ৰমাণ কৰি দেখুৱাব যে তুমি পুণ্যবান হয় আৰু তোমাৰ প্ৰত্যেক খোজ আল্লাহ তায়লাৰ আদেশ মৰ্মে হয়। কৈছে যে এনেকুৱা আদেশ যি কৰ্মৰ দ্বাৰা হয় তাৰ প্ৰভাৱ নিশ্চয় পৰিব। কৈছে যে মহিলা সকল ক'ত মান্য কৰে যেতিয়ালৈকে পুৰুষ সকলৰ কৰ্মৰ সংশোধন নহয়। যদি পুৰুষ কোনো ধৰণৰ দুৰ্বলতা নিজৰ মাজত ৰাখে মহিলা সকলে সেইটোৰে সাক্ষী থাকিব, কৈছে যে যিজন ব্যক্তি আল্লাহক ভয় নকৰে মহিলা তেওঁক কেনেকৈ ভয় কৰিব। এনেকুৱা মৌলবী/স্বামী সকলৰ উপদেশ কোনো ধৰণৰ প্ৰভাৱ নেপেলায়। প্ৰত্যেক ক্ষেত্ৰতে কৰ্মফলৰ আদৰ্শ নিশ্চয় প্ৰভাৱ পেলায়। কৈছে যে যদি স্বামী ৰাতি উঠি উঠি দোৱা কৰে,কান্দে, মহিলা এদিন দুদিন দেখিব অৱশেষত তাইৰো এদিন মনত হ'ব, আৰু তাৰ প্ৰভাৱ নিশ্চয় পৰিব।কৈছে মহিলাসকলৰ প্ৰভাৱ হোৱাৰ ক্ষমতা বহুত বেছি। সিহঁতৰ সংশোধনৰ কাৰণে কোনো ধৰণৰ মাদ্ৰাছাৰ প্ৰয়োজন নপৰে, মহিলাসকলৰ কৰ্মৰ সংশোধনৰ কাৰণে কোনো ধৰণৰ স্কুলৰ প্ৰয়োজন নপৰে, কোনো ইদাৰাৰ (সংগঠনৰ) প্ৰয়োজন নপৰে। যদি সংশোধন কৰাব খোজে তেতিয়া স্বামীয়ে নিজৰ সংশোধন কৰক, নিজৰ কৰ্মৰ আদৰ্শ দেখুৱাওঁক, তেতিয়া মহিলাসকলৰ সংশোধন হৈ যাব। তেখেতে কয় যে আল্লাহ তায়লা পুৰুষ আৰু মহিলাক একেই জন্মৰ বৈশিষ্ট বুলি কৈছে। এইটো পুৰুষ সকলৰ অত্যাচাৰ যে সিহঁতে নিজৰ স্ত্ৰীসকলক এনেকুৱা সুযোগ দিয়ে যাৰ ফলত সিহঁতে পুৰুষ সকলৰ দুৰ্বলতা বিচাৰি থাকে। পুৰুষ সকলৰ উচিত যে মহিলা সকলক কেতিয়াও এনেকুৱা সুযোগ দিব নালাগে যাৰ ফলত সিহঁতে ক'ব পাৰে যে তুমি অমুক অমুক বেয়া কাম কৰা,কৈছে যে মানুহ ইমান পৱিত্ৰ হোৱা উচিত যে মহিলা সকলে সিহঁতৰ বেয়া বিচাৰি বিচাৰি যেন ভাগৰ লাগি যায় তথাপি

# পুৰুষ সকলক গুৰুত্বপূৰ্ণ উপদেশ

পুৰুষ সকলৰ কোনো বেয়া কাম বিচাৰি নাপায় ,সেই সময়ত মহিলা সকলৰ ধৰ্মৰ বিষয়ে মনত পৰিব আৰু ধৰ্মও তেতিয়া বুজি পাব (মলফুজাত জিলদ ৫ পৃঃ ২০৭, ২০৮, এডিশ্বন ১৯৮৫ মতবুৰা ইংলিস্থান)।

যেতিয়া এনেকুৱা পৰিস্থিতি হ'ব যে বেয়া বিচৰা সত্ত্বেও পুৰুষৰ মাজত কোনো ধৰণৰ বেয়া নাপাব, তেতিয়া মহিলাসকল ধৰ্মৰ প্ৰতি অগ্ৰসৰ নাথাকিলেও, অগ্ৰসৰ হ'ব ধৰে। ইয়াত মই দেখিব পাওঁ যে মহিলাসকল বেছি ধাৰ্মিক। কেতিয়াবা অভিযোগ আহে যে আমাৰ স্বামী ধৰ্মৰ ফালে মনোযোগ নিদিয়ে।

এফালে হজৰত মছীহ মাওউদ (আঃ) সেইসকল পুৰুষ সকলৰ ওপৰত বিশ্বাসী যিসকলে আপোনাৰ বয়াতৰ অৰ্ন্তভূক্ত,আৰু আন ফালে আমি দেখা পাওঁ যে বহুত পুৰুষ এনেকুৱা আছে যেনেকুৱা মই কৈছো মহিলাসকলে সিহঁতৰ বিষয়ে অভিযোগ লৈ আহে যে এই পুৰুষ নমাজত এলেহুৱা, জমাতৰ সৈতে নমাজ পঢ়া দূৰৰ কথা ঘৰত অকলেও নমাজ নপঢ়ে,ধৰ্মৰ বিষয়ে পুৰুষ সকলৰ জ্ঞান কম। চান্দাৰ বিষয়ে বহু পুৰুষ সকল দুৰ্বল। পুৰুষ সকলৰ বিষয়ে টি.ভি.ত বেয়া ধৰণৰ প্ৰোগ্ৰাম দেখি থকাৰ অভিযোগ আহি থাকে। ল'ৰা-ছোৱালীৰ প্ৰশিক্ষণৰ বিষয়ে কোনো ধৰণৰ গুৰুত্ব নাই বুলি অভিযোগ উত্থাপন হৈ থাকে। ঘৰৰ দায়িত্ববান হোৱা সত্ত্বেও ঘৰত সদায় মাৰ-পিটাই কৰি থাকে। মহিলাসকল পুৰুষৰ জৰিয়তে কিছু শিকিব দূৰৰ কথা বহু ঘৰৰ মহিলা সকলৰ জৰিয়তে পুৰুষ সকলে জ্ঞান অৰ্জন কৰে বা পুৰুষ সকলক অৱগত কৰায় যে ল'ৰা-ছোৱালী যেন বেয়াৰ ফালে নাযায়। যি ঘৰত ল'ৰা-ছোৱালী সঠিক প্ৰশিক্ষণ পোৱা নাই তাৰ কাৰণ হ'ল পুৰুষ সকল বা স্ত্ৰীসকল বিনা কাৰণত ল'ৰা-ছোৱালীৰ ওপৰত কঠোৰতা প্ৰয়োগ কৰে ল'ৰা ছোৱালীও মাজে সময়ে মোৰ ওচৰত অভিযোগ কৰে যে

আমাৰ দেউতাৰ ব্যৱহাৰ মাকৰ লগত আৰু আমাৰ লগত ভাল নহয়।

যদি ঘৰৰ শান্তি বিচাৰে,ভৱিষ্যত বংশধৰৰ তৰবিয়ত খোজে, আৰু সিহঁতক ধৰ্মৰ লগত সংলগ্ন ৰাখিব খোজে তেনেহলে পুৰুষ সকলে নিজৰ কৰ্মৰ সংশোধনৰ ফালে মনোযোগ আকৰ্ষণ কৰিব লাগিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে পুৰুষ সকলক মনোযোগ আকৰ্ষণ কৰোঁতে কৈছে যে পুৰুষ নিজৰ ঘৰৰ ইমাম হয়,অৰ্থাৎ যদি সিহঁতে বেয়া প্ৰভাৱ পেলাব খোজে তেতিয়া বহু পৰিমাণে বেয়া প্ৰভাৱ হোৱাৰ সম্ভাৱনা থাকে। সিহঁতৰ (ল'ৰা-ছোৱালীৰ) কৰ্ম ক্ষেত্ৰত যদি বেয়া প্ৰভাৱ পৰে তেতিয়া ভৱিষ্যতৰ বংশধৰৰ মাজতো বেয়া প্ৰভাৱ পৰিব ধৰে।কৈছে যে পুৰুষ সকলৰ উচিত যে নিজৰ শক্তিক যেন সঠিক পদ্ধতিত ব্যৱহাৰ কৰে, উদাহৰণ স্বৰূপ,ক্ৰোধ, যেতিয়া অত্যন্ত খং উঠে তেতিয়া পাগলৰ নিচিনা হৈ যায়, ক্ৰোধ মানুহৰ প্ৰবৃত্তিত আছে, যেতিয়া অতি মাত্ৰা ক্ৰোধ বা খং হয় তেতিয়া জুনুন বা পাগলৰ নিচিনা হৈ যায়।কৈছে জুনুন আৰু পাগলৰ মাজত কিছু পাৰ্থক্য আছে। যিজন মানুহ অত্যন্ত ক্ৰোধ হয় তাৰ পৰা জ্ঞানৰ চিহ্ন শেষ হৈ যায়। অৰ্থাৎ যদি কোনো শত্ৰুও হয় তেওঁৰ লগত ক্ৰোধৰ সৈতে কথা-বতৰা নক'ব। (মলফুজাত জিলদ ৫ পৃঃ ২০৮, এডিশ্বন ১৯৮৫ মতবুৱা ইংলিস্থান)। ঘৰৰ মানুহৰ কথা বাদে দিয়ক শত্ৰুসকলৰ লগতো খং কৰি কথা কোৱা উচিত নহয়। অৰ্থাৎ এয়াই হ'ল মৰ্যাদা যে ঘৰত স্ত্ৰী আৰু ল'ৰা-ছোৱালীৰ সৈতে খং কৰি কথা ক'ব নালাগে,আৰু শত্ৰু সকলৰ লগতো গৌৰৱৰ সৈতে খং কৰি কথা ক'ব নালাগে। শত্ৰু সকলৰ কথা যুক্তিৰ সৈতে কাটিবলৈ হলেও মোমিন সকলৰ মুখৰ পৰা বেয়া শব্দ ওলাব নালাগে আৰু ক্ৰোধান্বিত হৈ কোনো ধৰণৰ কথা ক'ব নালাগে।

# পুৰুষ সকলক গুৰুত্বপূৰ্ণ উপদেশ

যেনেকুৱা মই প্ৰথমে কৈছো যে ভাৰতবৰ্ষ আৰু পাকিস্তানৰ পৰা মহিলা সকলে নিজৰ স্বামীৰ অত্যাচাৰৰ কথা লিখি থাকে। দুয়ো ঠাইত, কাদিয়ান আৰু পাকিস্তানত নজাৰতে ইচলাহ ও ইৰশ্বাদ আৰু জিলি তনজিম (খুদ্দাম, আনচাৰ, লাজনা,নাচিৰাত ইত্যাদি) এই ফালে মনোযোগ দিয়া উচিত,বেলেগ ঠাইতো নিজৰ তৰবিয়তৰ (প্ৰশিক্ষণৰ) প্ৰতি মনোযোগ দিয়া উচিত। তবলিগ কৰি আছে ধাৰ্মিক জ্ঞান অৰ্জন কৰি আছে; কিন্তু ঘৰত যদি অশান্তি থাকে তেতিয়া তবলিগ আৰু জ্ঞান কোনো ধৰণৰ লাভদায়ক হ'ব নোৱাৰে।

মহিলা সকলৰ নফছে (হৃদয়ে) কেনেকৈ পুৰুষ সকলক দেখি থাকে এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে পুৰুষৰ প্ৰত্যেক কথা আৰু গুণাৱলী মহিলা সকলে দেখি থাকে, সিহঁতে দেখি থাকে অমুক অমুক তাকৱাৰ গুণ আছে যেনেকুৱা ক্ষমা কৰা, কোমলতা ধৈৰ্য্য ইত্যাদি মহিলা সকলে খোজ কৰি থাকে যিটো বেলেগে বিচাৰি নাথাকে (ঘৰত সদায় সিহঁতৰ কৰ্ম চাই থাকে। কৈছে যে সেই কাৰণে মহিলাক **ছাৰিক (চুৰি কৰোঁতাও)** কোৱা হয় কাৰণ তাই ভিতৰুৱা খবৰ আৰু চৰিত্ৰৰ বিষয়ে চুৰি কৰি থাকে,অৰ্থাৎ গুণাৱলী চাই চাই এসময়ত তাই পৰিপূৰ্ণ চৰিত্ৰবান হিচাপে গণ্য হয়। আকৌ এজন ব্যক্তিৰ কথা উল্লেখ কৰি কয় যে, তেওঁ এসময়ত খ্ৰীষ্টান হৈ যায় (ইছলাম ধৰ্ম এৰি) মহিলাজনীও তেওঁৰ লগত খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰে, প্ৰথমে মহিলাজনীয়ে সুৰা পান কৰা আৰম্ভ কৰে পিছত পৰ্দা কৰা এৰি দিয়ে, অইন মানুহৰ লগত তাই মিলা-প্ৰীতি আৰম্ভ কৰে, স্বামীয়ে দ্বিতীয়বাৰ ইছলাম ধৰ্ম গ্ৰহণ কৰে কিছু কাল পিছত তেওঁ অনুভৱ কৰে যে মই ইছলাম ধৰ্ম এৰি দি বহুত ডাঙৰ ভুল কাম কৰিছোঁ, নিজৰ স্ত্ৰীক কয় তুমি মোৰ লগত মুছলমান হৈ যোৱা তাই কয় যে এতিয়া মোৰ মুছলমান হোৱাটো বৰ কষ্টকৰ হ'ব কাৰণ সুৰা পান কৰাৰ আৰু স্বাধীনতাৰ অভ্যাস যিটো মোৰ হৈ গৈছে সেইটো এৰি দিয়া বৰ

টান।(মাখুজ আজ মলফুজাত জিলদ ৫ পৃঃ ২০৮,২০৯ এডিশ্বন ১৯৮৫ মতবুৱা ইংলিস্থান)

এয়া সীমা লঙ্ঘন কৰি যোৱা যে পুৰুষ ইছলাম ধৰ্ম এৰি খ্ৰীষ্টান হৈ গৈছে; কিন্তু বহুত পুৰুষ এনেকুৱা আছে সিহঁতে ইছলাম ধৰ্ম এৰি নিদিয়ে, মুছলমান বুলি পৰিচয় দিয়ে সিহঁতে নামৰহে মুছলমান, স্বাধীনতাৰ নামত বহুত ভুল কামত লিপ্ত হৈ যায়। যেনেকুৱা প্ৰথমে মই উল্লেখ কৰিছোঁ সিহঁতৰ দেখা দেখি বা পুৰুষৰ কোৱামতে মহিলা সকলেও স্বাধীনতাৰ নামত সেই পৰিৱেশৰ ফালে অগ্ৰসৰ হয়। কিছুকাল পিছত পুৰুষ সকলৰ মনত আহে স্ত্ৰী বেছিভাগ স্বাধীন হৈ গৈছে,যেতিয়া এই স্বাধীনৰ পৰা মহিলাক আঁতৰত ৰখাৰ চেষ্টা কৰে তেতিয়া কাজিয়া আৰম্ভ কৰি দিয়ে, তাৰ পিছত মাৰ-পিটাই আৰম্ভ কৰি দিয়ে, ইয়াতো এনে ধৰণৰ ঘটনা হৈ থাকে, যেনেকুৱা মই কৈছো এই ৰাষ্ট্ৰসমূহত পুলিচ তৎক্ষণাত আহি যায়। মহিলাসকল আৰু ল'ৰা-ছোৱালী সম্পৰ্কে সমস্যাৱলী ব্যৱস্থাপনালৈ আহি যায় যাৰ ফলত সংসাৰ ভাঙি যায় আৰু ল'ৰা-ছোৱালী বিনষ্ট হৈ যায়। সংসাৰ ভাঙি যোৱা আৰু ল'ৰা-ছোৱালী বিনষ্ট হোৱাৰ আগতেই পুৰুষসকল নিজৰ দায়িত্ব বুজি লোৱা উচিত যে যিটো ধাৰ্মিক শিক্ষা ইছলামে নিজৰ স্ত্ৰী আৰু ল'ৰা-ছোৱালীৰ কাৰণে পুৰুষ সকলৰ ওপৰত ন্যস্ত কৰিছে ।

মহিলা সকলৰ অধিকাৰ আৰু সিহঁতৰ সৈতে আচাৰ-আচৰণ কৰা সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ) য়ে কৈছে যে মহিলা সকলৰ অধিকাৰ সুৰক্ষা সম্পৰ্কে ইছলাম যি শিক্ষা প্ৰদান কৰিছে বেলেগ ধৰ্মত এনেকুৱা নাই। সংক্ষিপ্ত শব্দত কৈছে,

وَلَهُنَّ مِثْلُ الَّذِي عَلَيْهِنَّ (2:229)

অৰ্থাৎ যেনেকুৱা পুৰুষৰ মহিলাৰ ওপৰত অধিকাৰ আছে তেনেকুৱাই

মহিলাৰো পুৰুষৰ ওপৰত অধিকাৰ আছে। (ছুৰা বাকাৰা আয়াত ২২৯) কিছুমানৰ কথা শুনিব পৰা যায় যে মহিলা সকলক সিহঁতে ভৰিৰ জুতাৰ নিচিনা দেখে আৰু নিম্ন শ্ৰেণীৰ ভাৰি সিহঁতৰ পৰা খেদমত লয়,গালি-শপনি পাৰি থাকে, নিম্ন শ্ৰেণীৰ বুলি জ্ঞান কৰে, পৰ্দা অবৈধ পদ্ধতিত ব্যৱহাৰ কৰিবলৈ কয়, সিহঁতক জীৱিত অৱস্থাত দফন কৰি দিয়ে, আৰু এনেকুৱা কঠোৰতা প্ৰয়োগ কৰে যে শ্বাস লোৱাটো সিহঁতৰ পক্ষে কষ্টকৰ হৈ পৰে। ইছলাম বৰ সুন্দৰ মজহব; আনফালে মহিলা সকলকো ন্যায়বান হোৱা উচিত; পৰ্দাৰ স্বাধীনতাৰ নামত বেছি স্বাধীন যেন নহয়; আৰু এইটো দেখিব পৰা গৈছে যে কিছুমান বেছি স্বাধীন হৈ গৈছে মাত্ৰ নামৰহে পৰ্দা কৰে এইটো স্বয়ং ভুল; অৰ্থাৎ মহিলা সকলৰ মনত ৰখা উচিত যে সিহঁতে নিজৰ মূৰ আৰু শৰীৰক লজ্জাজনক ভাৱি আৱৰি ৰখা দৰকাৰ। এইটো আল্লাহৰ আদেশ গতিকে এইটোৰ প্ৰতি লক্ষ্য ৰখা উচিত।

স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ মৰ্যাদা কেনে হোৱা উচিত, এই বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে বৰ্ণনা কৰিবলৈ গৈ কয় যে স্ত্ৰীৰ সৈতে স্বামীৰ এনেকুৱা সম্পৰ্ক হোৱা উচিত যেনেকুৱা দুইজন সত্যবাদী বন্ধুৰ মাজত সম্পৰ্ক থাকে। মানুহৰ উন্নত ধৰণৰ চৰিত্ৰ আৰু আল্লাহ তায়লাৰ লগত সম্পৰ্ক ৰখাৰ প্ৰথম সাক্ষী এইসকল মহিলাই হয়, গতিকে মহিলা সকলৰ লগত সম্পৰ্ক যদি ভাল নহয়, তেনেহলে কেনেকৈ সম্ভৱ যে খোদা তায়লাৰ লগত চুলাহ হ'ব (ঘৰতে যদি সম্পৰ্ক ভাল নাথাকে,তেতিয়া এইটোও সম্ভৱ নহয় যে আল্লাহ তায়লাৰ লগত সম্পৰ্ক ভাল হ'ব পাৰিব)। ৰছুলে কৰিম (ছাঃ) য়ে কৈছে,

خَيْرُكُمْ خَيْرُكُمْ لِاَهْلِهٖ

তোমাৰ মাজত সেইজন উত্তম যিজন নিজৰ স্ত্ৰীৰ লগত উত্তম ব্যৱহাৰ কৰে (মলফুজাত জিলদ ৫, পৃঃ ৪১৭,৪১৮ এডিশ্বন ১৯৮৫ মতবুৰা ইংলিস্থান) অৰ্থাৎ এয়াই হ'ল সেই মৰ্যাদা যিটো প্ৰত্যেক পুৰুষ সকলে অৱলম্বন কৰা

উচিত।

আকৌ পুৰুষৰ দেউতা হিচাপে যিটো দায়িত্ব, সেয়া বুজাৰ প্ৰয়োজন আছে, কেৱল এইটোই যাতে নাভাৱে যে ল'ৰা-ছোৱালীৰ তৰবিয়তৰ দায়িত্ব মাকৰ, হয়তো কিছু বয়স পৰ্য্যন্ত ল'ৰা-ছোৱালী মাকৰ লগত থাকে,আৰু বাল্যকালত মাকৰ তৰবিয়তৰ (প্ৰশিক্ষণৰ) ফলত তৰবিয়ত পায়,কিন্তু সেই বুলি দেউতাও দায়িত্বৰ বাহিৰে নহয়। দেউতাৰো নিজৰ ল'ৰা-ছোৱালীৰ তৰবিয়তৰ ক্ষেত্ৰত আগবাঢ়ি যোৱা উচিত। বিশেষ কৰি যেতিয়া ল'ৰা সাত-আঠ বছৰ বয়স হয় তেতিয়া সিহঁতে দেউতাৰ আগ্ৰহ আৰু চাহিদাৰ ওপৰত নিৰ্ভৰ কৰে, নতুবা বিশেষ কৰি পশ্চিমীয়া পৰিৱেশত ল'ৰা-ছোৱালী হাত সাৰি যোৱাৰ সম্ভাৱনা বেছি। ইয়াতো সেই বুনিয়াদ বলৱৎ হ'ব যি মহিলা সকলৰ বিষয়ে প্ৰথমে আলোচনা হৈছে।অৰ্থাৎ পুৰুষ সকলৰ আৰু দেউতাৰ নিজৰ আদৰ্শ দেখোৱাৰ প্ৰয়োজন আছে। দেউতাৰ নিজৰ ল'ৰা-ছোৱালীৰ সন্মান কৰাৰ প্ৰয়োজন আছে যাতে সিহঁতৰ চৰিত্ৰ ভাল হ'ব পাৰে, সিহঁতক প্ৰশিক্ষণ কৰাৰ প্ৰয়োজন আছে যাতে পৰিৱেশৰ বেয়া প্ৰভাৱৰ পৰা বাচি যায়। আকৌ দেউতাৰ ল'ৰা-ছোৱালীৰ লগত সম্পৰ্ক ৰখাটো নিৰাপত্তাৰ অনুতাপ বৃদ্ধি কৰে ।দেউতাই ল'ৰা-ছোৱালীৰ বিষয়ে অভিযোগ কৰে যে সিহঁত লজ্জিত বেছি,বা নিৰ্ভৰ কৰাৰ ক্ষমতা কম বা ভুল কথা বেছি কয়।কৈছে যে দেউতা ল'ৰা-ছোৱালীৰ বেছি ওচৰত থাকিব লাগে,আৰু সিহঁতৰ লগত ব্যক্তিগত সম্পৰ্ক বনাব লাগে,বন্ধুৰ নিচিনা সম্পৰ্ক বনাব লাগে। ইয়াৰ ফলত ল'ৰা-ছোৱালীৰ যি দুৰ্বলতা আছে সেইবোৰ আঁতৰ হ'ব ধৰে। অৰ্থাৎ ল'ৰা-ছোৱালীক বাহিৰৰ পৰিৱেশৰ পৰা সুৰক্ষিত ৰখাৰ বাবে দেউতাই ল'ৰা-ছোৱালীক লৈ বাহিৰত ফুৰিব লাগে।

আকৌ দেউতাৰ এইটো কৰ্তব্য যে ল'ৰা-ছোৱালীক যেন ধৰ্মৰ ফালে আকৃষ্ট কৰে,তৰবিয়তৰ কাৰণে নিজৰ কৰ্মৰ প্ৰতি লক্ষ্য ৰখা উচিত আৰু

সিহঁতৰ কাৰণে দোৱা কৰা উচিত। তৰবিয়তৰ আচল ফল আল্লাহ্ তায়লাৰ কৃপাত হয়; কিন্তু মানুহ চেষ্টা কৰাটো অত্যন্ত দৰকাৰ।

ল'ৰা-ছোৱালীৰ তৰবিয়তৰ অইন পদ্ধতি দোৱাৰ প্ৰতি আকৃষ্ট কৰি হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে হিদায়ৎ আৰু তৰবিয়ত পোৱা এইটো আল্লাহৰ কাম। কথা কথাতে ল'ৰা-ছোৱালীক বাধ্যবাধকতা কৰে যে আমিয়ে হিদায়তৰ মালিক আৰু আমি আমাৰ নিজৰ ইচ্ছা অনুযায়ী এটা পথত লৈ আহিম। এইটোও এক ধৰণৰ শ্বিৰক।এইটোৰ পৰা আমাৰ জমাত আঁতৰত থকা দৰকাৰ। নিজৰ বিষয়ে কৈছে, আমি আমাৰ ল'ৰা-ছোৱালীৰ কাৰণে দোৱা কৰো, নিয়মাৱলী আমাৰ শিক্ষা কি ? আমাৰ আদৰ্শ কি ? এই বিষয়ে সিহঁতক আকৃষ্ট কৰো। অৰ্থাৎ ইয়াতকৈ বেছি নহয়,তাৰ পিছত আল্লাহৰ ওপৰত নিৰ্ভৰ কৰো যে যেতিয়া সিহঁতৰ ভিতৰত সৰলতা আহি যাব তেতিয়া সতেজ হ'ব।( মলফুজাত জিলদ ২ পৃঃ ৫ এডিশ্বন ১৯৮৫ মতবুৱা ইংলিস্থান)

অৰ্থাৎ হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আমি দোৱা কৰো,এই দোৱাৰ মৰ্যাদা বহু উৰ্দ্ধ পৰ্যায়ৰ, এই কথা অতি সাধাৰণ বুলি ভাৱিব নালাগে। অৰ্থাৎ দোৱাৰ এই মৰ্যাদা প্ৰাপ্ত কৰিবলৈ হলে বহু কষ্টৰ প্ৰয়োজন আছে।এইটো কোনো সধাৰণ কথা নহয়, এই কাৰণে দেউতাৰ এই ফালে মনোযোগ আকৰ্ষণ কৰা উচিত।

দেউতা হিচাপে ল'ৰা-ছোৱালীৰ তৰবিয়ত (প্ৰশিক্ষণ) কেনেকৈ কৰিব পৰা যায় এই বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে এঠাইত বিস্তাৰিত ভাৱে কৈছে, কিছুমান মানুহৰ এয়া ধাৰণা আছে যে ল'ৰা-ছোৱালীৰ কাৰণে কিছু ধন-সম্পত্তি এৰি যাব লাগে। মই এই কথাবিলাক শুনি আচৰিত হওঁ যে সিহঁতৰ ধন-সম্পত্তি এৰি যোৱাৰ ধাৰণা কেনেকৈ আছে, কিন্তু এইটো ধাৰণা নাহে যে ল'ৰা-ছোৱালী পুণ্যবান কেনেকৈ হ'ব। কোনো সময়ত

এনেকুৱা মানুহ নিজৰ ল'ৰা-ছোৱালীৰ কাৰণে ধন জমা কৰে,কিন্তু ল'ৰা-ছোৱালী পুণ্যবান হোৱাৰ কথা অনুতাপে নকৰে। তেওঁ নিজৰ জীৱনতে ল'ৰা-ছোৱালীৰ বেয়া আচৰণৰ কাৰণে অসুবিধাত পৰি যায়; আৰু সেই ধন-সম্পত্তি যিবিলাক জমা কৰিছিল, অৱশেষত সেইবিলাক বেয়া কামত আৰু সুৰা পান কৰাত নষ্ট হয়; আৰু সেই ল'ৰা-ছোৱালী মা-দেউতাৰ কাৰণে দুষ্ট আৰু বেয়া চৰিত্ৰৰ উত্তৰাধিকাৰী হৈ যায়। কৈছে যে ল'ৰা-ছোৱালীৰ পৰীক্ষাটো বহুত ডাঙৰ পৰীক্ষা হয়। যদি ল'ৰা-ছোৱালী পুণ্যবান হয় তেতিয়া কোনো চিন্তাৰ বিষয় নাই। আল্লাহ তায়লা নিজে কৈছে,

وَهُوَ يَتَوَلَّى الصَّالِحِينَ (7:197)

অৰ্থাৎ আল্লাহ তায়লা পুণ্যবান সকলৰ বন্ধু । (চুৰা আৰাফ আয়াত ১৯৭) যদি বেয়া আচৰণ আৰু দুষ্ট হয় যদি লাখ টকাও তেওঁৰ কাৰণে এৰি থৈ যোৱা হয় তেওঁ বেয়া কামত নষ্ট কৰি দৰিদ্ৰ হৈ যাব আৰু বহুত ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব যিটো তেওঁৰ কাৰণে নিশ্চিত। কৈছে, যিজন ব্যক্তিৰ ৰায় খোদা তায়লাৰ ৰায় আৰু ইচ্ছা অনুযায়ী হয় তেওঁ ল'ৰা-ছোৱালীৰ পৰা সন্তুষ্ট হৈ যায় আৰু তেওঁ এনেকুৱা হয় যে তেওঁৰ দক্ষতাৰ কাৰণে চেষ্টা কৰে আৰু দোৱা কৰে। তেতিয়া আল্লাহ তায়লা তেওঁৰ বন্ধু হৈ যায়।তেওঁক চম্ভালি লয়। দক্ষতাৰ কাৰণে চেষ্টা কৰা অৰ্থাৎ তেওঁৰ প্ৰশিক্ষণৰ প্ৰতি বহুত বেছি দৃষ্টি ৰখা। কৈছে যে হজৰত দাউদ (আঃ)ৰ কথা, মই শিশু আছিলো, যুৱক হলোঁ, এতিয়া বয়জ্যেষ্ঠ হৈ গলোঁ, মই মুত্তাকি সকলক (আল্লাহৰ প্ৰতি ভয় ৰখা সকলক) কেতিয়াও দেখা নাই যে সিহঁতৰ ৰিজকৰ (খাদ্যৰ) নাটনি হৈছে আৰু সিহঁতৰ ল'ৰা-ছোৱালীক কেতিয়াও কোনো খাদ্য বস্তু খুজি থকা অৱস্থাত দেখা নাই। আল্লাহ তায়লা সিহঁতৰ ভৱিষ্যতৰ বংশধৰৰ প্ৰতি সুবিধা কৰি দিয়ে। তেখেতে কৈছে যে নিজে পুণ্যবান হওঁক আৰু নিজৰ ল'ৰা-ছোৱালীৰ কাৰণে পুণ্যবান হোৱাৰ আদৰ্শ হৈ যাওঁক আৰু মুত্তাকী হৈ যাওঁক আৰু ল'ৰা-ছোৱালী মুত্তাকী আৰু ধাৰ্মিক হোৱাৰ কাৰণে

দোৱা কৰক। যিমান চেষ্টা তুমি সিহঁতৰ কাৰণে ধন জমা কৰাৰ কাৰণে কৰা, সিমানখিনি চেষ্টা তুমি সিহঁতৰ পুণ্যবান আৰু মুত্তাকী হোৱাৰ কাৰণে কৰা। কৈছে যে সেই কাম কৰা যাৰ ফলত ল'ৰা-ছোৱালী ভাল আদৰ্শবান হ'ব পাৰে, তাৰ কৰণে এইটো আৱশ্যকৰণীয় যে নিজৰ সংশোধন হ'ব লাগিব। যদি তুমি উচ্চ পৰ্যায়ৰ মুত্তাকী (খোদা ভীতি) হৈ যোৱা আৰু খোদা তায়লাক সন্তুষ্টি কৰি লোৱা তেন্তে এইটো নিশ্চিত যে আল্লাহ তায়লা তোমাৰ ল'ৰা-ছোৱালীৰ বাবে ভাল ফল প্ৰদান কৰিব। (মলফুজাত জিলদ ৮ পৃঃ১০৮ ৰ পৰা ১১০, এডিশ্বন ১৯৮৫ মতবুৰা ইংলিস্থান)

ইছকামে দেউতাক এইটো কয় যে নিজৰ ল'ৰা-ছোৱালীক তৰবিয়ত (প্ৰশিক্ষণ)ৰ ফালে আকৃষ্ট কৰা আৰু দোৱা কৰা, ল'ৰা-ছোৱালীক এইটোও যেন আদেশ দিয়ে যে তোমাৰ ওপৰতো কিছু কৰ্তব্য আছে, যেতিয়া তুমি যুৱক হৈ যোৱা তেতিয়া তোমাৰ ওপৰত মা-দেউতাৰ কিছু অধিকাৰ আছে সেইবিলাক আদায় কৰিব লাগিব, অৰ্থাৎ এজনে আনজনৰ সৈতে মিলিত হলেহে পৰিপূৰ্ণ শান্তিময় পৰিৱেশ সৃষ্টি হ'ব।

মা-দেউতাৰ অধিকাৰ আদায় কৰাটো বহুত ডাঙৰ দায়িত্ব আৰু গুৰুত্বপূৰ্ণ। এই কথাৰ প্ৰতি আগ্ৰহ প্ৰত্যেক মোমিন সকলৰ হোৱা উচিত। এজন ল'ৰা যেতিয়া যুৱক হয় তেতিয়া মা-দেউতাৰ অধিকাৰ কেনেকৈ পালন কৰিব এই কথা বুজাবলৈ গৈ হজৰত মহম্মদ (ছাঃ)য়ে এঠাইত কৈছে, আব্দুল্লাহ বিন উমৰুৰ পৰা বৰ্ণিত যে এজন ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত হৈ কয় যে মই যুদ্ধত যাবলৈ ইচ্ছা কৰিছোঁ, হজৰত মহম্মদ (ছাঃ)য়ে কয় যে তোমাৰ মা-দেউতা জীৱিত আছেনে ? কয় জীৱিত আছে, তেতিয়া আপুনি কয় যে তোমাৰ মা-দেউতাৰ খিদমত কৰা এইটোই তোমাৰ জিহাদ।(ছহী বুখাৰী কিতাবুল জিহাদ..বাব আলজিহাদ বিইজনিল আবুয়ায়নি হাদীছ ৩০০৪)

অৰ্থাৎ মা-দেউতাৰ খিদমতৰ গুৰুত্ব এইটোৰ পৰা ধাৰণা কৰিব পৰা যায়।

এয়াই নহয়,অৰ্থাৎ নিজৰ মাজতে ভালপোৱা আৰু প্ৰেম-স্নেহ বিস্তাৰ

লাভ কৰাৰ কাৰণে দেউতাৰ বন্ধুৰ লগতো ভাল ব্যৱহাৰ কৰাৰ আদেশ হজৰত মহম্মদ (ছাঃ) য়ে দিছে। অৰ্থাৎ এসময়ত আপুনি কৈছে, মানুহৰ উত্তম নেকী (পুণ্য) এইটো যে নিজৰ দেউতাৰ বন্ধুৰ লগত যেন ভাল ব্যৱহাৰ কৰে যদিও তাৰ দেউতাৰ মৃত্যুও হৈ থাকে । (ছুনন আবি দাউদ কিতাবুল আদব বাব ফি বুৰাইলওৱালিদায়নি হাদীছ ৫১৪৩)

আকৌ এই কথা বিস্তাৰিত ভাৱে এঠাইত হজৰত মহম্মদ (ছাঃ)য়ে কৈছে, যিটো এনেকুৱা ভাৱে বৰ্ণিত আছে, হজৰত আবু আছয়দুছ ছাদি (ৰাঃ)য়ে কৈছে যে আমি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত আছিলো যে বনি ছালমাৰ এজন ব্যক্তি উপস্থিত হৈ জিজ্ঞাসা কৰে, হে ৰাছুলুল্লাহ (ছাঃ), মা-দেউতাৰ মৃত্যুৰ পিছত কোনো এনেকুৱা নেকী (পুণ্যতা) আছেনে ? যিটো আমি কৰিব পাৰো। তেখেত (ছাঃ)য়ে কয় হয় আছে, তুমি সিহঁতৰ কাৰণে দোৱা কৰা, সিহঁতৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰা, সিহঁতৰ যদি কোনো প্ৰতিশ্ৰুতি আছে সেয়া পূৰ্ণ কৰা, সিহঁতৰ অতিথী সকলৰ লগত তেনেকুৱাই কৃপা, দয়া আৰু ভাল ব্যৱহাৰ কৰা যেনেকুৱা তেওঁ জীৱিত অৱস্থাত সিহঁতৰ লগত কৰিছে, আৰু তেখেতৰ বন্ধুৰ লগতো সন্মানৰ সৈতে সন্মুখীন হোৱা। ( ছুনন আবি দাউদ কিতাবুল আদব বাব ফি বৰাউল ওৱালিদায়নি হাদিছ ৫১৪২)

আকৌ এঠাইত হজৰত মহম্মদ (ছাঃ)য়ে কৈছে যে যি ব্যক্তি বেছি দিন জীৱিত থাকিব খোজে, তেওঁৰ ৰিজক বেছি খোজে,তেনেহলে তেওঁৰ কৰ্তব্য যে নিজৰ মা-দেউতাৰ লগত যেন ভাল ব্যৱহাৰ কৰে আৰু দয়াৰ অভ্যাস যাতে হয়।( আল জামেও শ্বওবুল ঈমান জিলদ ১০ পৃঃ ২৬৪,২৬৫ বাব বৰায়ুল ওৱালিদায়নে হাদিছ ৭৪৭১ মকতুবাতুৰ ৰাশ্বিদ নাশ্বিৰুনুৰ ৰিয়াজ ২০০৪)

অৰ্থাৎ ল'ৰা-ছোৱালী অশান্তি সৃষ্টি কৰাৰ কাৰণে নহয়, যুৱক হোৱাৰ পিছত সিহঁতৰ কিছুমান কৰ্তব্য আছে আৰু মা-দেউতাৰো কিছুমান কৰ্তব্য

আছে। বিয়া পতাৰ পিছত বিশেষ কৰি সিহঁতৰ কৰ্তব্যৰ প্ৰতি লক্ষ্য ৰখা উচিত, মানুহ যদি নিজৰ স্ত্ৰীৰ ফৰজ আদায় কৰে আৰু মা-দেউতাৰো খিদমত কৰে আৰু স্ত্ৰীক হিকমতৰ সৈতে শশুৰ শাশুৰীৰ গুৰুত্বৰ বিষয়ে কয় আৰু শশুৰ শাশুৰীৰ গুৰুত্বৰ বিষয়ে নিজেও অৱগত হৈ যায় তেতিয়া ঘৰত কেতিয়াবা কাজিয়া-বিবাদ হ'ব ধৰে সেইটো কেতিয়াও সৃষ্টি নহ'ব।

মাজে সময়ে ধৰ্মীয় মতানৈক্যৰ কাৰণে দেউতা আৰু ল'ৰাৰ মাজত মতানৈক্য হয়। মাজে সময়ে নতুন বয়াত কৰা সকলে প্ৰশ্ন কৰে; এই পৰিস্থিতিত ল'ৰাই দেউতাৰ লগত ভাল ব্যৱহাৰ কৰা উচিত আৰু খিদমতো কৰা উচিত। এসময়ত হজৰত মছীহ মাওউদ (আঃ)য়ে বাটালা ভ্ৰমণৰ সময়ত শ্বেইখ আব্দুৰ ৰহমান চাহাবৰ পৰা তেওঁৰ দেউতাকৰ অৱস্থাৰ কথা বৰ্ণনা কৰি আছিল, তাৰ পিছত তেওঁক উপদেশ দিব ধৰিলে যে, তোমাৰ দেউতাৰ কাৰণে দোৱা কৰো (তেওঁ আহমদী নাছিল,মুছলমান নাছিল) সকলো অৱস্থাতে মা-দেউতাৰ মন জয় কৰিব লাগে আৰু নিজৰ চৰিত্ৰ আৰু পৱিত্ৰ আদৰ্শ দেখুৱাই ইছলামৰ সত্যতা প্ৰকাশ কৰা। চৰিত্ৰৰ আদৰ্শ এনেকুৱা বিষ্ময়কৰ ঘটনা যিটো আন কোনো অলৌকিক ঘটনাৰ সমান হ'ব নোৱাৰে। সত্য ইছলামৰ এইটো মৰ্যাদা হয় যে মানুহ যেন উন্নত শ্ৰেণীৰ হৈ যায় আৰু তেওঁ পৰিচিত ব্যক্তি হৈ যায়। সম্ভৱত তোমাৰ জৰিয়তে তেওঁৰ মনত ইছলামৰ মহব্বত সৃষ্টি হৈ যাব পাৰে, ইছলাম মা-দেউতাৰ খেদমতৰ পৰা বঞ্চিত নকৰে। যিসকল ধৰ্মৰ প্ৰতি আগ্ৰহ নাই সিহঁতকো পৰিপূৰ্ণ ভাৱে ইতায়ত (অনুসৰণ) কৰা দৰকাৰ। মন প্ৰাণৰ সৈতে খিদমত কৰক। (মলফুজাত জিলদ ৪ পৃঃ ১৭৫ হাশ্বিয়া এডিশ্বন ১৯৮৫ মতবুৱা ইংলিস্থান) অৰ্থাৎ এইটো বুনিয়াদী শিক্ষা,তবলিগৰ ক্ষেত্ৰত নম্ৰতাৰ সৈতে কথা-বতৰা আৰু উন্নত মানৰ আচৰণ কৰিব লাগে, উন্নত ধৰণৰ আদৰ্শ দেখুৱা প্ৰয়োজন।

আকৌ আৰু এটা ঘটনা, ইয়াত দেউতা মুছলমান হয় তাৰ বিস্তাৰিত ভাৱে উত্তৰ হজৰত মছীহ মাওউদ (আঃ)য়ে দিছে এজন ব্যক্তি প্ৰশ্ন কৰিছে

যে হে হজৰত, মা-দেউতাৰ খিদমত আৰু সিহঁতৰ ইতায়ত (অনুসৰণ)কৰাটো আল্লাহ্ তায়লা মানুহৰ ওপৰত ফৰজ কৰি দিছে, কিন্তু মই জমাতে আহমদীয়তত অৰ্ন্তভুক্ত হোৱাৰ কাৰণে মোৰ দেউতা মোক বেয়া পায় আৰু মোক দেখিবই নোখোজে। যেতিয়া মই বয়াত লোৱাৰ বাবে প্ৰস্তুতি হৈছিলোঁ তেতিয়া দেউতাই কৈছিল আমাক কোনো ধৰণৰ চিঠি-পত্ৰ প্ৰেৰণ নকৰিব এতিয়া মই তোমাক দেখিবলৈ ভাল নাপাওঁ। এতিয়া আল্লাহ্ তায়লাৰ এই ফৰজ মই কেনেকৈ আদায় কৰিম, (আল্লাহ্ তায়লা কৈছে যে মা-দেউতাৰ খিদমত কৰা,দেউতা মোক দেখিবই ভাল নাপায়,মোৰ লগত সম্পৰ্ক ৰাখিব নোখোজে,তেন্তে মই এই ফৰজ কেনেকৈ আদায় কৰিম) আপুনি কৈছে যে কোৰাণ শ্বৰীফ য'ত মা-দেউতাৰ ইতায়ত (অনুসৰণ) আৰু খিদমতৰ  কৰাৰ আদেশ দিয়ে তাতে এয়াও কয়,

رَبُّكُمْ اَعْلَمُ بِمَا فِيْ نُفُوْسِكُمْ اِنْ تَكُوْنُوْا صٰلِحِيْنَ فَاِنَّهٗ كَانَ لِلْاَوَّابِيْنَ غَفُوْرًا

(17:26)

**অৰ্থ** ঃ- তোমালোকৰ অন্তৰতসমূহত যি নিহিত সকলো তোমাৰ প্ৰভুৱে ভালকৈ জানে;যদি তোমালোকে ধৰ্মপৰায়ণ হোৱা তেন্তে (জানি থোৱা) তেওঁ সেই সকলৰ প্ৰতি শ্ৰেষ্ঠ ক্ষমাশীল যিসকলে (অনুতপ্ত মনেৰে) তেওঁৰ ফালে ঘূৰি আহে।

আল্লাহ্ তায়লা ভালকৈ জানে যি তোমাৰ অন্তৰত আছে।যদি তুমি পুণ্যবান হোৱা ,আল্লাহৰ প্ৰণিপাত কৰা সকলৰ কাৰণে তেওঁ ক্ষমাকাৰী। চাহাবা সকল (ৰাঃ)ৰ ওপৰতো এনেকুৱা অসুবিধাৰ সন্মুখীন হৈছিল ধৰ্ম গ্ৰহণ কৰাৰ ফলত সিহঁতে  সিহঁতৰ মা-দেউতাৰ পৰা পৃথক হৈ গৈছিল।অৰ্থাৎ তুমি নিজৰ ফালৰ পৰা সিহঁতৰ খবৰ লোৱাৰ কাৰণে সদায় প্ৰস্তুতি থাকা, যেতিয়াই কোনো সুবিধা পোৱা সিহঁতক সহায় কৰা, তোমাৰ নিয়তৰ  প্ৰতিদান

নিশ্চয় তুমি পাবা। যদি ধৰ্মৰ নিমিত্তে নিজৰ মা-দেউতাৰ পৰা পৃথক হ'ব লগা হৈছে তেতিয়া হলে এইটো তেওঁৰ কাৰণে উপায়হীন। সংশোধনৰ প্ৰতি দৃষ্টি ৰখা, নিয়ত শুদ্ধ ৰখা, আৰু মা-দেউতাৰ কাৰণে দোৱা কৰা। অৰ্থাৎ আল্লাহ্ তায়লাক প্ৰাধান্য দিয়া আৰু নিজৰ ফালৰ পৰা মা-দেউতাৰ অধিকাৰ আদায় কৰাৰ কাৰণে চেষ্টাত লাগি থকা, সিহঁতৰ কাৰণে দোৱা কৰা, আৰু শুদ্ধ নিয়তৰ ধাৰণা ৰাখা। (মলফুজাত জিলদ ১০, পৃঃ ১৩০,১৩১, এডিশ্বন চন ১৯৮৫ মতবুৱা ইংলিস্থান)

অৰ্থাৎ নিয়ত শুদ্ধ হোৱা উচিত বহুত মানুহ আজিও আছে যিসকলে সুধি থাকে যে মা-দেউতাৰো ফৰজ আছে, সেইটো এই পৰিস্থিতিত আমি কেনেকৈ আদায় কৰিম,সিহঁতৰ কাৰণে এইটো উত্তৰ পৰিপূৰ্ণ।

অৰ্থাৎ এজন পুৰুষৰ বিভিন্ন ধৰণৰ যি দায়িত্ব আছে,সেইবিলাক পালন কৰাৰ চেষ্টা কৰা উচিত নিজৰ ঘৰখন এনেকুৱা বনাব লাগে য'ত মহব্বত,আৰু প্ৰেম-স্নেহৰ বাতাবৰণ সদায় সৃষ্টি হৈ থাকে। এজন পুৰুষ স্বামী হয়, দেউতা হয়, ল'ৰা হয়,গতিকে তেওঁৰ নিজৰ দায়িত্বৰ কথা বুজি পোৱা উচিত। অৰ্থাৎ পুৰুষ সকলৰ আৰু বহুত ধৰণৰ দক্ষতা আছে; কিন্তু মই এই তিনিটা দক্ষতা বৰ্ণনা কৰিছোঁ কাৰণ ঘৰৰ যিটো বুনিয়াদী প্ৰথম দৰজা ,যেতিয়া এই বুনিয়াদী দৰজাত শান্তি প্ৰতিষ্ঠিত হৈ যাব আৰু সৌন্দৰ্যতা সৃষ্টি হ'ব ধৰিব তেতিয়াই পৰিৱেশত শান্তিৰ জামিন হ'ব পাৰিব। আল্লাহ্ তায়লা সকলোকে ইয়াৰ তৌফিক দান কৰক।